**6.5. নিৰ্দেশনা আৰু পৰামৰ্শদানৰ সমস্যাসমূহ (Problems of Guidance and Counselling) :**

নিৰ্দেশনা আৰু পৰামৰ্শদানৰ ক্ষেত্ৰত দেখা দিয়া বিভিন্ন সমস্যাসমূহ তলত আলোচনা কৰা হ'ল—

1. **সজাগতাৰ অভাৱ (Lack of awareness) :** বৰ্তমানেওঁ সাধাৰণ জনতাৰ মাজত নিৰ্দেশনা আৰু পৰামৰ্শদান সম্পৰ্কে সচেতনতাৰ অভাৱ দেখা যায়। ইয়াৰ গুৰুত্ব আৰু প্ৰাসঙ্গিকতা সম্পৰ্কে বৰ্তমানেওঁ জনসাধাৰণ সজাগ নহয়। ইয়াৰ ফলত নিৰ্দেশনা আৰু পৰামৰ্শদানৰ কাৰ্য্যসূচীয়ে অগ্ৰগতি লাভ কৰিব পৰা নাই।

2. **চেচ্ছাচাৰীতা বৃদ্ধি (Increasing Autocracy) :** বিদ্যালয়বোৰত প্ৰশাসন পৰিচালনাৰ ক্ষেত্ৰত ক্ৰমাগতভাৱে বৃদ্ধি পোৱা চেচ্ছাচাৰীতাওঁ নিৰ্দেশনা আৰু পৰামৰ্শদানৰ বাবে হেঙাৰস্বৰূপে দেখা দিছে। ইয়াৰ ফলত মান - সন্মান, সামাজিক একতা, নিয়মানুৱৰ্তীতা (Discipline) আদি ভাৱৰ দিনকদিনে অৱক্ষয় ঘটিছে।

3. **জনসংখ্যাৰ বিস্ফোৰণ (Population Explosion) :** নিৰ্দেশনা আৰু পৰামৰ্শদানৰ আন এটা প্ৰধান সমস্যা হৈছে অভাৱনীয়ভাৱে জনসংখ্যা বৃদ্ধি পোৱাটো। বৰ্দ্ধিত জনসংখ্যা অনুপাতে নিৰ্দেশনা আৰু পৰামৰ্শদান কাৰ্য্যসূচীয়ে অগ্ৰগতি লাভ কৰিব পৰা নাই। বৰ্দ্ধিত জনসংখ্যা অনুপতে চৰকাৰে অৰ্থৰ যোগন ধৰিব পৰা নাই।

4. **প্ৰশাসনীয় ব্যৱস্থাৰ মানদণ্ড হ্ৰাস (Diminishing Quality in Administration) :** ক্ৰমান্বয়ে আমাৰ সমাজৰ বিভিন্ন বিভাগৰ প্ৰশাসনীয় ব্যৱস্থাৰ গুণগতমানদণ্ড হ্ৰাস পাবলৈ ধৰা পৰিলক্ষিত হৈছে। এই ব্যৱস্থাই নিৰ্দেশনা আৰু পৰামৰ্শদানৰ বাবে প্ৰধান সমস্যাস্বৰূপে দেখা দিছে।

Scanned by CamScanner

5. **অৰ্থৰ অভাৱ (Lack of Finance)** ঃ নিৰ্দেশনা আৰু পৰামৰ্শদান কাৰ্য্যসূচীৰ সফল ৰূপায়ণ কৰিবলৈ হ'লে যথেষ্ট অৰ্থৰ দৰকাৰ হয়। আৰ্থিক উৎসৰ পৰিমাণ অতি সমান্য হোৱা বাবে এই প্ৰক্ৰিয়াৰ উপযুক্ত বিকাশ সম্ভৱ হৈ উঠা নাই।

6. **দক্ষতাপূৰ্ণ কৰ্মীৰ অভাৱ (Lack of Skilled Persons)** ঃ বৰ্তমানেও আমাৰ সমাজত নিৰ্দেশনা দিব পৰা উপযুক্ত ব্যক্তিৰ অভাৱ দেখা যায়। আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দক্ষতাপূৰ্ণ কৰ্মীবোৰক এই ক্ষেত্ৰখনৰ পৰা আতৰাই পাঠোৱাৰ ফলত কিছুমান সমস্যাৰ উদ্ভৱ হোৱা দেখা যায়।

7. **শিক্ষকসকলৰ ৰক্ষণশীল মনোভাৱ (Traditional Attitude of Teacher)** ঃ শিক্ষকসকলৰ ৰক্ষণশীল মনোভাৱৰ বাবেওঁ নিৰ্দেশনা আৰু পৰামৰ্শদান কাৰ্য্যই অগ্ৰগতি লাভ কৰিব পৰা নাই। আমাৰ সমাজত এনেকুৱা বহুত শিক্ষক আছে যিয়ে আনৰ উন্নতি বা প্ৰগতি হোৱাটো মনে প্ৰাণে কামনা নকৰে।

8. **সাহায্য প্ৰদানৰ বাবে উপযুক্ত নীতিৰ অভাৱ (Lack of clear cut policy in sanctioning grants)** ঃ আমাৰ সমাজত নিৰ্দেশনা আৰু পৰামৰ্শদান কৰা অনুষ্ঠানসমূহলৈ উপযুক্ত-অৰ্থ সাহায্য যোগান ধৰাৰ বাবে চৰকাৰৰ উপযুক্ত নীতি-নিৰ্দ্ধাৰণৰ অভাৱ পৰিলক্ষিত হোৱা দেখা যায়। ইয়াৰ ফলত কিছুমান অনুষ্ঠান আধাতে বন্ধ হৈ যোৱা পৰিলক্ষিত হয়।

9. **মাক-দেউতাকৰ নিৰক্ষৰতা (Illiteracy of Parents)** ঃ বৰ্তমানেও আমাৰ সমাজতএনেকুৱা বহুত মাক দেউতাক আছে যিয়ে শিক্ষাৰ পোহৰ পোৱা নাই। এনেকুৱা অশিক্ষিত মাক দেউতাক বিলাকে তেওঁলোকৰ লৰা ছোৱালীক নিৰ্দেশনা আৰু পৰামৰ্শদান সম্পৰ্কে জ্ঞান দিবলৈ মান্তি নহয়। ইয়াৰ ফলত বহুতোলোক এই কাৰ্য্যসূচীৰ পৰা বাদপৰি ৰৈ যায়।

Scanned by CamScanner